# কোকৰাঝাৰ আৰু চিৰাং জিলাৰ
# কোচ-ৰাজবংশী জনগোষ্ঠীৰ সামাজিক লোকাচাৰ ঃ
# এক বিশ্লেষণাত্মক অধ্যয়ন

## সংক্ষিপ্ত-সাৰ

### ০.০১ গৱেষণা বিষয়ৰ পৰিচয় ঃ

লোকসংস্কৃতিৰ জন্ম মানৱ জাতিৰ জন্মৰ লগে লগে বুলি ক'ব পাৰি। লোকসংস্কৃতি লোকমনৰ লগত জড়িত। কোনো এটা নিৰ্দ্দিষ্ট ভৌগলিক পৰিসীমাৰ ভিতৰত বাস কৰা লোক সমষ্টিক একোখন লোকসমাজ বোলে। এনে একোখন লোকসমাজত কেতবোৰ নিজস্ব ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ধ্যান-ধাৰণা, বিচাৰ-বুদ্ধি, উৎসৱ-পাৰ্ৱণ, খাদ্য-সম্ভাৰ, সাজপোছাক, আ-অলংকাৰ, লোকবিশ্বাস, ধৰ্মীয় বিশ্বাস আদি গঢ় লোৱা দেখা যায় আৰু এইবোৰ স্থানভেদে, অঞ্চলভেদে পাৰ্থক্য পৰিলক্ষিত হয়। এই সকলোবোৰ বিষয়ৰ সমষ্টিকে লোকসংস্কৃতি বুলি কোৱা হয়। লোকসংস্কৃতিৰ পৰিসৰ বিশাল আৰু বিস্তৃত। এই বৃহৎ লোকসংস্কৃতিৰ ক্ষেত্ৰখন চহকী কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে সামাজিক লোকপ্ৰথা বা লোকাচাৰে (Social Folk Custom)। কোনো সমাজত লৌকিক আৰু পৰম্পৰাগতভাৱে প্ৰচলিত কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ পাৰ্ৱণ, জন্ম, মৃত্যু, বিবাহ, ধৰ্ম, বিশ্বাস আদিৰ লগত জড়িত বিভিন্ন অনুষ্ঠান, অৱসৰ-বিনোদন, খেল-ধেমালি, লোক-ঔষধ আদিবোৰকেই লোকাচাৰ বোলা হয়। দৰাচলতে, কোনো এখন সমাজত অনুষ্ঠিত কৃষি, জন্ম, বিবাহ, মৃত্যু, ধৰ্ম আদি বিষয়ক ৰীতি-নীতি, আচাৰ-

ব্যৱস্থা- অনুষ্ঠান, খেল-ধেমালি, লোক ঔষধ আদিয়েই সামাজিক লোকাচাৰ। সামাজিক লোকাচাৰসমূহ প্ৰধানভাৱে লোকবিশ্বাসৰ সৈতে জড়িত।

অসম তথা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল বিভিন্ন জাতি-জনগোষ্ঠীৰ বসতিস্থান আৰু এই বিভিন্ন জাতি-জনগোষ্ঠীৰ বাৰেৰহনীয়া সংস্কৃতিয়ে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বৰ্ণিল সংস্কৃতি গঢ় লোৱাত বিশেষভাৱে অৰিহণা যোগাইছে এনে বৰ্ণিল সংস্কৃতিৰ অংশস্বৰূপ এক উল্লেখনীয় বৃহৎ প্ৰাচীন জনগোষ্ঠী হ'ল কোচ-ৰাজবংশী জনগোষ্ঠী। কোচ-ৰাজবংশী লোকসকল বৰ্তমান অসমৰ পূব-পশ্চিমৰ বিভিন্ন প্ৰান্তত সিচঁৰিত হৈ থকাৰ উপৰিও পশ্চিমবংশৰ কোচবিহাৰ, আলিপুৰ, জলপাইগুৰি, দাৰ্জিলিং, নেপালৰ ঝাপা, মোৰং, চুনচুৰী অঞ্চলৰ লগতে বাংলাদেশৰ ৰংপুৰ, দিনাজপুৰ, মৈমনসিং, বগুৰা, বিহাৰ, অবিভক্ত পূৰ্ণিয়া জিলা আদি স্থানতো বসবাস কৰে।

কোকৰাঝাৰ জিলা আৰু চিৰাং জিলা অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত দুখন উল্লেখযোগ্য জিলা। দুয়োখন জিলাতে কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসকলৰ বাহিৰেও অন্যান্য জনগোষ্ঠীৰ লোকৰো বসতি দেখা যায়। আমাৰ গৱেষণা গ্ৰন্থখনত কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সামাজিক লোকাচাৰৰ এক বিশ্লেষণাত্মক অধ্যয়ন আগবঢ়োৱাৰ প্ৰয়াস কৰা হৈছে।

**০.০২ গৱেষণাৰ বিষয়ৰ নিৰ্বাচন ঃ**

আমাৰ গৱেষণাৰ বিষয় হিচাপে নিৰ্বাচন কৰা হৈছে- **"কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সামাজিক লোকাচাৰ: এক বিশ্লেষণাত্মক অধ্যয়ন"**। ইতিমধ্যে বিভিন্ন ধৰণৰ প্ৰকাশিত, অপ্ৰকাশিত গ্ৰন্থৰাজিত কোচ-ৰাজবংশী জনগোষ্ঠীৰ বিষয়ে আলোচনা পোৱা যায় যদিও কোকৰাঝাৰ আৰু চিৰাং - এই দুখন জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহত প্ৰচলিত সামাজিক লোকাচাৰৰ বিষয়ে কোনো ধৰণৰ প্ৰণালীবদ্ধ আলোচনা পোৱা নাযায়। সেয়ে আমাৰ অধ্যয়নৰ পৰিসৰ কোকৰাঝাৰ আৰু চিৰাং জিলাৰ মাজতে সীমাবদ্ধ ৰাখি উক্ত দুখন জিলাত বসবাস কৰা কোচ-ৰাজবংশী জনগোষ্ঠীৰ মাজত প্ৰচলিত সামাজিক লোকাচাৰৰ এটি বিশ্লেষণাত্মক অধ্যয়নৰ মাজেদি বিতং আলোচনা আগবঢ়াবলৈ যত্ন কৰা হৈছে।

**০.০৩ গৱেষণাবিষয়ৰ পৰিষৰ ঃ**

আমাৰ অধ্যয়নৰ পৰিসৰ ভৌগলিক ভাৱে কোকৰাঝাৰ আৰু চিৰাং জিলাৰ চাৰিসীমাৰ ভিতৰতে সীমাবদ্ধ। কেইবছৰমান পূৰ্বে কোকৰাঝাৰ আৰু চিৰাং অবিভক্ত গোৱালপাৰা জিলাৰ অন্তৰ্ভুক্ত আছিল। কিন্তু ১৯৮৩ চনৰ ১ জুলাইত কোকৰাঝাৰ মহকুমাকে কোকৰাঝাৰ জিলালৈ উন্নীত কৰা হৈছিল। ২০০৩ চনৰ ২০ ফেব্ৰুয়াৰী তাৰিখে স্বাক্ষৰিত এক চুক্তি অনুসৰি Bodoland Territorial Area District চমুকৈ B.T.A.D. গঠন হোৱাত তাত চাৰিখনকৈ জিলা অন্তৰ্ভুক্ত কৰা হৈছিল। চিৰাং তাৰে এখন নতুন জিলা। B.T.A.D. ত অন্তৰ্ভুক্ত হোৱা আন তিনিখন জিলা হ'ল কোকৰাঝাৰ, বাক্সা আৰু ওডালগুৰি। কোকৰাঝাৰ জিলাৰ মহকুমা তিনিটা-কোকৰাঝাৰ, গোসাইগাওঁ, পৰ্বতঝোৰা। চিৰাং জিলাৰ মহকুমা দুটা কাজলগাওঁ আৰু বিজনী।

কোকৰাঝাৰ জিলাৰ অন্তৰ্গত কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহ হৈছে-

কোকৰাঝাৰ, গোসাইগাওঁ, দলগাওঁ, গুৱাবাৰী, বাবুবিল, বাঁশবাৰী, পদ্মবিল, কামাৰপাৰা, পুখুৰাপাৰা, চৌতাৰা, শিথিলা, ভাওৰাগুৰী, গুৰুফেলা, খলছানি, থুৰীবাৰী, ৰমণীআশ্ৰম, চিকাৰগাঁও, যদুমনি, চখাপাৰা, হব্ৰুবিল, ডিমলগাওঁ, তিতাগুৰী, চন্দ্ৰপাৰা, খুক্‌ছি, বলদিয়াবাথান, ফকিৰাগ্ৰাম, শক্তিআশ্ৰম, ধাউলীগুৰী, কালীপুখুৰী, চৌটাকী, লালটাৰী, বেণীবাৰী, কাকোৰমাৰী, টিলাপাৰা, জৰেগাওঁ, ক্ষুদ্ৰ বাসুগাওঁ, লাটাগাওঁ, ভোটগাওঁ, জয়পুৰ, ফুটকিবাৰী, মকৰাপাৰা, পুঠিয়াগুৰী, বেলডুবি, বালাগাওঁ, দেবৰগাওঁ, তিনিআলি, ছালাকাটী, হালোৱাদাল, চৰাইখোলা, বামুনীগাওঁ।

চিৰাং জিলাৰ অন্তৰ্গত কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহ হৈছে-

বিজনী, সুপাৰিগুৰী, আমগুৰি, ভেটাগাওঁ, উলুবাৰী, বাগৰগাওঁ, চতিয়ানগুৰি, গাৰগাওঁ, নিলিবাৰী, বাসুগাওঁ, নেহালগাওঁ, হেকাইপাৰা, শাকাতি, চিদলী, তুংখুবাৰী, শান্তিপুৰ, এংকৰবাৰী, কদমতলা, হাছ্লাবাৰী, বেংতল, ফাগুনাগাওঁ, কোচপাৰা, কাঠলগুৰী, শিয়ালমাৰী, চুন্দাৰী, ৰুণীখাতা। আমাৰ ক্ষেত্ৰ অধ্যায়ন দুয়োখন জিলাৰ উক্ত অঞ্চলসমূহতহে সীমাবদ্ধ ৰখা হৈছে।

কোকৰাঝাৰ আৰু চিৰাং জিলাত পূৰ্বৰেপৰা বসবাস কৰা কোচ-ৰাজবংশী লোকসমাজত অতীতৰেপৰা বিভিন্ন ধৰণৰ মৌখিকসাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ বা ৰীতি-

নীতি, লোক পৰিৱেশ্য কলা পৰম্পৰাগতভাৱে প্ৰচলন হৈ আছে। কিন্তু আমাৰ গৱেষণা কৰ্মত এইবোৰৰ ভিতৰত সামাজিক লোকাচাৰৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে।

**০.০৪ গৱেষণাৰ উদ্দেশ্য ঃ**

গৱেষণা কৰ্মটিৰ উদ্দেশ্যসমূহ হৈছে-

ক) কোকৰাঝাৰ আৰু চিৰাং জিলাত পূৰ্বৰেপৰা বসবাস কৰা কোচ-ৰাজবংশী লোকসকলৰ মাজত অতীতৰে পৰা পৰম্পৰাগতভাৱে প্ৰচলিত সামাজিক ৰীতি-নীতি যেনে- জীৱন বৃত্তৰ সৈতে জড়িত লোকাচাৰ, বিভিন্ন উৎসৱ-পাৰ্বণ, পূজা-পাতল আদিৰ সৈতে জড়িত লোকাচাৰ সমূহ আলোকপাত কৰা।

খ) আমাৰ গৱেষণাৰ ভৌগোলিক পৰিসৰৰ অন্তৰ্গত কোচ-ৰাজবংশী লোকসলৰ মাজত অতীতৰেপৰা চলি অহা বিভিন্ন খেল-ধেমালি, লোক ঔষধ তথা লোকচিকিৎসাৰ পদ্ধতিৰ সমলসমূহ অধ্যয়ন তথা সংৰক্ষণ কৰি কোচ-ৰাজবংশীসকলৰ লোকসংস্কৃতিক স্বকীয় পৰিচয় প্ৰদানৰ উদ্দেশ্যে উক্ত বিষয়টো গ্ৰহণ কৰা হৈছে।

গ) কোকৰাঝাৰ আৰু চিৰাং জিলাত বসবাস কৰা অন্য জনগোষ্ঠীৰ সামাজিক লোকাচাৰ সমূহৰ তুলনাৰ জৰিয়তে কোচ-ৰাজবংশী জনগোষ্ঠীৰ সামাজিক লোকাচাৰৰ স্বকীয়তা নিৰূপণৰ প্ৰয়াস কৰা।

ঘ) আধুনিক দৃষ্টিভংগী, বিজ্ঞান সন্মত চিন্তাধাৰা, বিশ্বায়নৰ আদি প্ৰভাৱৰ কাৰণে কোচ-ৰাজবংশীৰ লোকসমাজত প্ৰচলিত সামাজিক লোকাচাৰৰ কিছু কিছু ক্ষেত্ৰত পৰিলক্ষিত হোৱা পৰিৱৰ্তিত ৰূপসমূহ অধ্যয়ন কৰা এই গৱেষণাৰ অন্য এক উদ্দেশ্য।

ঙ) কোকৰাঝাৰ আৰু চিৰাং জিলাৰ অন্তৰ্গত কোচ-ৰাজবংশী লোকসমাজত সিচঁৰতি হৈ থকা জন্ম, বিবাহ, মৃত্যু, পূজা-পাতল, উৎসৱ-অনুষ্ঠান আদিৰ লগত জড়িত বিভিন্ন গীত-পদসমূহ সংগ্ৰহ কৰাও আমাৰ গৱেষণাৰ অন্যতম উদ্দেশ্য।

**০.০৫ গৱেষণাৰ গুৰুত্ব ঃ**

কোচ-ৰাজবংশী জনগোষ্ঠী সংস্কৃতিৰ ফালৰ পৰা চহকী। কোচ-ৰাজবংশী লোকসংস্কৃতিৰ বিশাল ক্ষেত্ৰখনত সামাজিক লোকাচাৰে বৰ্ণাঢ্য আৰু বিচিত্ৰ ৰূপ পৰিগ্ৰহ কৰাত যথেষ্ট সহায় কৰিছে। সামাজিক লোকাচাৰৰ অন্তৰ্গত উপাদানসমূহ - উৎসৱ-অনুষ্ঠান, পূজা-পাতল, খেল-ধেমালি, লোক ঔষধ আদিয়ে কোচ-ৰাজবংশী লোকসমাজত ঐক্য সম্প্ৰীতিৰ লগতে সমন্বয় আৰু ভাতৃত্ববোধৰ পৰিচয় দাঙি ধৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আছে। অতীতৰেপৰা প্ৰচলিত এই সামাজিক লোকাচাৰসমূহ কোচ-ৰাজবংশী লোকসকলক সমাজমুখী কৰি গঢ়ি তোলাৰ লগতে সামাজিক শৃংখলতা, একতা বজাই ৰাখাত বিশেষ অৰিহণা যোগাই আহিছে। কিন্তু সাম্প্ৰতিক সময়ৰ অগ্ৰগতিত আধুনিকতাৰ পৰশ অথবা বিভিন্ন কাৰণত এই লোকাচাৰসমূহৰ মাজত কিছু পৰিৱৰ্তন পৰিলক্ষিত হোৱাৰ লগতে কিছু হেৰুওৱাৰ উপশম ঘটিছে যিটো বৰ্তমান প্ৰেক্ষাপটত এক বিচাৰ্য তথা চিন্তনীয় বিষয় হৈ পৰিছে। কিয়নো, সামাজিক লোকাচাৰসমূহ কোনো এটা জাতিৰ জাতীয়তাৰ পৰিচিতি বহন কৰে। পৰিলক্ষিত পৰিৱৰ্তনে কোচ-ৰাজবংশী লোকসমাজত কেনেধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে লগতে এনে পৰিৱৰ্তনে উদীয়মান নৱ প্ৰজন্মৰ ক্ষেত্ৰত কেনেধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে-এনে দৃষ্টিভংগীৰে উক্ত বিষয়টোৰ অধ্যয়নৰ গুৰুত্ব আছে। ইয়াৰোপৰি, সামাজিক লোকাচাৰসমূহ বিজ্ঞানসন্মত ভাৱে সংৰক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কে উঠি অহা প্ৰজন্মৰ মাজত উৎসাহ প্ৰদানৰ ক্ষেত্ৰতো আমাৰ গৱেষণাৰ বিষয়টোৰ অধ্যয়নৰ গুৰুত্ব আছে।

**০.০৬ গৱেষণাৰ পদ্ধতি ঃ**

গৱেষণা কৰ্মৰ বাবে প্ৰয়োজনীয় তথ্যসমূহ ক্ষেত্ৰ অধ্যয়ন কৰি আৰু প্ৰকাশিত বিভিন্ন গ্ৰন্থসমূহৰ পৰা সংগ্ৰহ কৰি সেইবোৰৰ পুংখানুপুংখ ভাৱে বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰি আমাৰ গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰা হৈছে। গৱেষণা গ্ৰন্থখনত দীঘলীয়া উদ্ধৃতিবোৰ আপেক্ষিকভাৱে বেঁকা (Italic) আখৰেৰে দিয়া হৈছে।

গ্ৰন্থপঞ্জীখন অসমীয়া, বাংলা, ইংৰাজী- এই তিনিটা ভাগত ভাগ কৰি লেখকৰ উপাধি বৰ্ণানুক্ৰমত গ্ৰন্থসমূহ উল্লেখ কৰা হৈছে।

গ্ৰন্থ, আলোচনী, স্মৃতিগ্ৰন্থ, মুখপত্ৰ গৱেষণা পত্ৰিকা আদিৰ নাম বেঁকা (Italic) আখৰেৰে দিয়া হৈছে।

গৱেষণা কৰ্মৰ নিৰ্ভৰযোগ্যতা তথা সততাৰ তাগিদাত তথা জনগোষ্ঠীটোৰ সাংস্কৃতিক স্বকীয়তা দেখুওৱাৰ হেতু কিছু কিছু ক্ষেত্ৰত স্থানীয় কোচ-ৰাজবংশী শব্দ প্ৰয়োগ কৰা হৈছে।

**০.০৭ তথ্য সংগ্ৰহ ঃ**

আমাৰ গৱেষণাৰ বিষয়টো অধ্যয়ন কৰিবলৈ যাওঁতে মুখ্য সমল হিচাপে ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰা হৈছে। ইয়াৰ বাবে কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহত থকা জেষ্ঠ্য তথা অভিজ্ঞ লোকৰ সাক্ষাৎকাৰ গ্ৰহণ কৰি তথ্য আহৰণ কৰা হৈছে।

কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহত অনুষ্ঠিত হোৱা বিভিন্ন উৎসৱ-অনুষ্ঠান, পূজা-পাতল, খেল-ধেমালি ইত্যাদিবোৰত গৈ পৰ্যবেক্ষণ তথা নিৰীক্ষণ কৰি আমাৰ প্ৰযোজনীয় তথ্যসমূহ সংগ্ৰহ কৰা হৈছে।

ইয়াৰোপৰি তথ্য সংগ্ৰহৰ ক্ষেত্ৰত মোবাইল, কেমেৰা, Voice Recorder, Youtube Channel ইত্যাদি, বৈদ্যুতিন মাধ্যমৰ সহায় লোৱা হৈছে।

তদুপৰি, আমাৰ গৱেষণা বিষয়ৰ লগত সংগতি থকা বিভিন্ন প্ৰকাশিত গ্ৰন্থ, আলোচনী, স্মৃতিগ্ৰন্থ, মুখপত্ৰ ইত্যাদি গৌণসমলসমূহ সংগ্ৰহ কৰি সেইবোৰৰ সহায় লোৱা হৈছে।

**০.০৮ অধ্যায় বিভাজন ঃ**

গৱেষণা গ্ৰন্থখনৰ আলোচনাৰ সুবিধাৰ্থে তলত দিয়া ধৰণে অধ্যায় বিভাজন কৰা হৈছে-

অৱতৰণিকা ঃ

প্ৰথম অধ্যায় ঃ **কোচ-ৰাজবংশীসকলৰ জনগোষ্ঠীয় আৰু সাংস্কৃতিক পৰিচয়।**

দ্বিতীয় অধ্যায় ঃ **কোচ-ৰাজবংশীসকলৰ জন্ম, বিবাহ, মৃত্যুৰ সৈতে জড়িত লোকাচাৰ।**

তৃতীয় অধ্যায় ঃ **কোচ-ৰাজবংশীসকলৰ পূজা-পাতল, উৎসৱ-পাৰ্বণ আৰু ধৰ্মৰ সৈতে জড়িত লোকাচাৰ।**

চতুৰ্থ অধ্যায় ঃ **কোচ-ৰাজবংশীসকলৰ লোকচিকিৎসাৰ সৈতে জড়িত লোকাচাৰ।**

পঞ্চম অধ্যায় ঃ **কোচ-ৰাজবংশীসকলৰ খেল-ধেমালিৰ সৈতে জড়িত লোকাচাৰ।**

উপসংহাৰঃ

গ্ৰন্থপঞ্জী-

তথ্যদাতাৰ তালিকা

পৰিশিষ্ট (ক) ঃ শব্দাৰ্থ টোকা

পৰিশিষ্ট (খ) ঃ প্ৰশ্নপত্ৰ

পৰিশিষ্ট (গ) ঃ আলোকচিত্ৰ

প্ৰথম অধ্যায় ***“কোচ-ৰাজবংশীসকলৰ জনগোষ্ঠীয় আৰু সাংস্কৃতিক পৰিচয়”***ত কোচ-ৰাজবংশী জনগোষ্ঠীৰ মূল আৰু বৈচিত্ৰ্যময় ইতিহাসৰ বিষয়ে বিভিন্ন পণ্ডিতে আগবঢ়োৱা মন্তব্যসমূহৰ আলোচনা আগবঢ়োৱা হৈছে। সাংস্কৃতিক দিশৰ আলোচনাৰ পৰা দেখা যায় যে কোচ-ৰাজবংশী লোকসকল সাংস্কৃতিক দিশত খুবেই চহকী। বিশেষকৈ উৎসৱ-পাৰ্বণ, লোকবিশ্বাস, লোকসাহিত্য, সাজপোছাক, আ-অলংকাৰ, খাদ্যসম্ভাৰ আদিৰ ক্ষেত্ৰত কোচ-ৰাজবংশী লোকসকলৰ সুকীয়া পৰিচয় পোৱা যায়।

দ্বিতীয় অধ্যায়ত ***“কোচ-ৰাজবংশীসকলৰ জন্ম, বিবাহ, মৃত্যুৰ সৈতে জড়িত লোকাচাৰ”***সম্পৰ্কে অধ্যয়ন যুগুত কৰা হৈছে। এই অধ্যায়টিত ক্ষেত্ৰ অধ্যয়ন কৰি পোৱা তথ্য অনুসৰি কোচ-ৰাজবংশীলোকসকলৰ জীৱন বৃত্তৰ লগত জড়িত জন্ম, বিবাহ আৰু মৃত্যু সম্পৰ্কীয় সকলো লোকাচাৰৰ আলোচনা আগবঢ়োৱা হৈছে। ইয়াৰ লগতে গৌণ সমল হিচাপে ব্যৱহাৰ কৰা কিছুমান সংগৃহীত ছপা গ্ৰন্থৰ পৰাও তথ্য আহৰণ কৰা হৈছে। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসকলে সন্তান জন্ম সম্পৰ্কীয় কেতবোৰ লোকাচাৰ যেনে- সাত খাওৱা পৰ্ব, প্ৰসূতিক পোৱাতী ঘৰ বা চুৱা ঘৰত ৰখা, ফুল গৰম কৰা পৰ্ব, নাড় কটা পৰ্ব, চাৰিদিনত চুৱা পোলোৱা পৰ্ব, মাহেকীয়া চুৱা পেলোৱা পৰ্ব, নামকৰণ পৰ্ব, অন্নপ্ৰাশন, চূড়াকৰণ আদি পালন কৰে।

মানৱ জীৱন বৃত্তৰ লগত জড়িত অনুষ্ঠান সমূহৰ ভিতৰত বিবাহ অনুষ্ঠান অন্যতম। কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত বিবাহ অনুষ্ঠানক দুটা ভাগত ভাগ কৰিব পাৰি- সৰুবিয়া

অৰ্থ্যাৎ ধুৱানি আৰু বৰ বিয়া বা প্ৰকৃত বিয়া। সৰুবিয়া নাৰীসকলৰ জন্ম আৰু বৰ বিয়াৰ এক মধ্যৱৰ্তী অনুষ্ঠান। সৰু বিয়াত ঋতুমতী হোৱা ছোৱালীজনীক ঘৰৰ ভিতৰত আছুতীয়াকৈ থোৱাৰ পৰা আৰম্ভ কৰি গণনা চোৱা, চাৰি দিনত গাওধানিৰ দ্বাৰা ছোৱালীজনীক গা ধুওৱা, চোতালত ৰাইজৰ আগত ছোৱালীজনীক লৈ বিভিন্ন নীতি-নিয়ম পালন কৰাৰ লগত হবিচ খোৱা নিয়মো পালন কৰে। ঠিক সেইদৰে, বৰ বিয়াতো কইনা চোৱা পৰ্ব, ধান টাকা দেৱা প্ৰথা, পানচিনি বা নিৰীক্ষণ পৰ্ব অধিবাস বা বিয়াৰ আগদিনা পালনীয় ৰীতি-নীতি, বিয়াৰ দিনা পালনীয় নীতি-নিয়ম যেনে- পানী তোলা পৰ্ব, নান্দী মুখৰ শ্ৰাদ্ধ, তেল চেৰোৱা পৰ্ব, দৰা - কইনাক গা ধুওৱা, সুৱাগ ঝাৰা পৰ্ব, আখৈ ঝাৰা পৰ্ব, দৰা আদৰা পৰ্ব, গেট ধৰা প্ৰথা, বিয়াবাৰী বা বেইবাৰী ঘূৰোৱা পৰ্ব, কইনাৰ বিদায় পৰ্ব, আদি দৰা ঘৰত ন কইনা আদৰা পৰ্ব, বিয়াৰ প্ৰীতিভোজ বা ৰান্ধন দিয়া পৰ্ব, টোপোলা ফিৰা বা আঠমঙ্গলা পৰ্ব আদি বিভিন্ন পৰ্ববোৰৰ মাজদি বৰ বিয়া সম্পন্ন হয়। কোচ-ৰাজবংশী লোকসমাজত বিবাহ অনুষ্ঠানৰ সৈতে জড়িত বিভিন্ন নীতি নিয়মবোৰৰ লগতে বিবিধ গীতৰো প্ৰচলন মনকৰিবলগীয়া এটা দিশ।

জন্ম আৰু বিবাহৰ দৰে মৃত্যুৰ সৈতে জড়িত বিভিন্ন লোকাচাৰ কোচ-ৰাজবংশী লোকসমাজত প্ৰচলন আছে। মৃত্যুৰ দিনা পালনীয় আচাৰ-নীতি যেনে- মৃতকক গা-ধুৱাই নতুন কাপোৰ পিন্ধোৱা, চোতালত ৰাইজৰ সন্মুখত মৃতকৰ মুখত পানী দিয়া, ফুল, মালা অৰ্পণ কৰা, মৃতকৰ বাবে চাঙী তৈয়াৰ কৰা, মৃতকক শ্মশানলৈ নিয়া, মৃতকৰ অস্থি আনা শ্মশানৰ পৰা উভতি নিজ নিজ ঘৰ পোৱাৰ পিছত পদৃলি মুখত কৰা নিয়ম, চতুৰ্থা, দহা, খেউৰ, আদ্যশ্ৰাদ্ধ, মৎস স্পৰ্শ বা মাছ চুৱেনি আদি পৰ্ববোৰৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে।

আমাৰ গৱেষণা গ্ৰন্থখনিৰ তৃতীয় অধ্যায়টি হ'ল ***"কোচ-ৰাজবংশীসকলৰ পূজা-পাতল, উৎসৱ-পাৰ্বণ আৰু ধৰ্মৰ সৈতে জড়িত লোকাচাৰ"***। এই অধ্যায়টিত কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহত পৰম্পৰাগতভাৱে প্ৰচলন হৈ অহা বিভিন্ন পূজা-পাতল যেনে- কাতিকা পূজা, হুদুম পূজা, কাচাইখাতী পূজা, বাঁশ পূজা, গাৰ্জা পূজা, মাৰৈ পূজা, সোনাৰায় পূজা, লাখল ঠাকুৰৰ পূজা, ঠাকুৰাণী পূজা আদিত পালনীয় লোকাচাৰসমূহৰ আলোচনা

আগবঢ়োৱা হৈছে। ইয়াৰ লগতে বিভিন্ন ধৰণৰ উৎসৱ-পাৰ্বণ যেনে- বিষুৱা, কাতি গাছা, আগ আনা, নয়া খোৱা, পুযুনা, বাসুগাঁও ৰাজাচাৰাঙৰ শ্ৰী শ্ৰী ৰাজাঠাকুৰ আৰু কালীপুখুৰীৰ লালটাৰীৰ শ্ৰী ৰাজাঠাকুৰ মন্দিৰত দৌল উৎসৱ, অম্বুবাচী, মথন খেলা বা কাদং ভাওনা, অ'ৰি মাগা আদিত পালনীয় আচাৰ-নীতিসমূহৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে। ইয়াৰ উপৰিও কোচ-ৰাজবংশী লোকসমাজত শৈৱ, শাক্ত, বৈষ্ণৱৰ উপৰিও অনুকূল বা জয়গুৰু, খ্ৰীষ্টীয়ান আদি ধৰ্মৰ প্ৰভাৱ পৰিছে আৰু এই প্ৰভাৱে কোচ-ৰাজবংশী লোকৰ ধৰ্মৰ সৈতে জড়িত লোকাচাৰসমূহৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে।

আমাৰ গৱেষণা গ্ৰন্থৰ চতুৰ্থ অধ্যায়টো হ'ল ***"কোচ-ৰাজবংশীসকলৰ লোকচিকিৎসাৰ সৈতে জড়িত লোকাচাৰ।"*** এই অধ্যায়টিত লোকচিকিৎসাৰ ধাৰণা, লোকচিকিৎসাৰ ভাগ সম্পৰ্কে আভাস দিয়া হৈছে। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসমাজত সৰু ল'ৰা ছোৱালীৰ পৰা আৰম্ভ কৰি ডেকা-গাভৰু, বঢ়া-বুঢ়ী সকলো বয়সৰ ব্যক্তিৰ বিভিন্ন ৰোগ নিৰাময়ৰ বাবে অতীতৰপৰা কেনেধৰণৰ লোকচিকিৎসাৰ প্ৰচলন আছে সেই সম্পৰ্কে আলোচনা আগবঢ়োৱা হৈছে। ইয়াৰ উপৰিও কোচ-ৰাজবংশী লোকসাহিত্যত লোকঔষধ বা লোকচিকিৎসাৰ প্ৰাপ্ত সমলৰ বিষয়েও আলোকপাত কৰা হৈছে।

আমাৰ গৱেষণা গ্ৰন্থৰ পঞ্চম অধ্যায়টি হৈছে **"কোচ-ৰাজবংশীসকলৰ খেল-ধেমালিৰ সৈতে জড়িত লোকাচাৰ"** খেল-ধেমালি ব্যক্তি ব্যক্তিসমষ্টিৰ শাৰীৰিক, মানসিক বিকাশৰ লগতে বৌদ্ধিক উত্তৰণত বিশেষভাৱে ভূমিকা পালন কৰি আহিছে। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসমাজত লিংগভেদে, বয়সভেদে, স্থানভেদে, কালভেদে, ঋতুভেদে প্ৰচলিত বিভিন্ন প্ৰকাৰৰ খেল-ধেমালিৰ নীতি-নিয়মৰ এই অধ্যায়টিত আগবঢ়োৱা হৈছে। ইয়াৰ উপৰিও কোচ-ৰাজবংশীসকলৰ পৰম্পৰাগত খেল-ধেমালিৰ লগত কেতবোৰ লোকাচাৰ জড়িত হৈ আহিছে সেই বিষয়েও আলোচনা আগবঢ়োৱা হৈছে। ইয়াৰ পিছত গৱেষণা গ্ৰন্থখনত ক্ৰমে উপসংহাৰ, গ্ৰন্থপঞ্জী, তথ্যদাতাৰ তালিকা, পৰিশিষ্ট খণ্ড সন্নিবিষ্ট কৰা হৈছে।